**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 07-12-2024 **Time :** 0755 Hrs.

## Assamese Morning Bulletin

চাৰিগৰাকী নতুন মন্ত্ৰীৰ অন্তৰ্ভুক্তিৰে আজি অসম মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটোৱা হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত দিনৰ ১২ বজাত আয়োজিত এটা অনুষ্ঠানত ডিব্ৰুগড়ৰ বিধায়ক প্ৰশান্ত ফুকন, লক্ষীপুৰৰ বিধায়ক কৌশিক ৰায়, পাথাৰকান্দিৰ বিধায়ক কৃষ্ণেন্দু পাল আৰু ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালাক শপতবাক্য পাঠ কৰোৱাব।

০০০০০০০

ৰাজ্যত ৬ জানুৱাৰীৰ পৰা তিনিটা পৰ্যায়ত গুণোৎসৱ ২০২৫ অনুষ্ঠিত হ'ব। এইবাৰৰ গুণোৎসৱত ৰাজ্যৰ ৩৫খন জিলাৰ ৪৪ হাজাৰ ৯৪ খন বিদ্যালয়ৰ প্ৰথমৰ পৰা নৱম শ্ৰেণীৰ মুঠ ৩৯ লাখ ৬৫ হাজাৰৰো অধিক শিক্ষাৰ্থীক সামৰি লোৱা হ'ব। প্ৰথম পৰ্যায়ত ১১ খন জিলা ক্ৰমে বৰপেটা, বজালী, শ্ৰীভূমি, কামৰূপ, কাৰ্বি আংলং, কোকৰাঝাৰ, লখিমপুৰ, নগাঁও, শিৱসাগৰ, দক্ষিণ শালমাৰা, মানকাচৰ আৰু ওদালগুৰি জিলাত গুণোৎসৱ অনুষ্ঠিত কৰা হ'ব। ৬ জানুৱাৰীত স্বমূল্যায়ন আৰু ৭ৰ পৰা ৯ জানুৱাৰী বহিঃমূল্যায়নৰ দিন ধাৰ্য্য কৰা হৈছে। ১৭ জানুৱাৰীত দ্বিতীয় পৰ্যায়ত বাক্সা, চিৰাং, চৰাইদেউ, ধেমাজি, ধুবুৰী, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, কামৰূপ মহানগৰ, শোণিতপুৰ, তামুলপুৰ, তিনিচুকীয়া আৰু পশ্চিম কাৰ্বি আংলং জিলা সামৰি লোৱা হ'ব। এই পৰ্যায়ৰ বাবে ১৭ জানুৱাৰীত স্বমূল্যায়ন আৰু ২০ৰ পৰা ২২ জানুৱাৰীত বহিঃমূল্যায়ণ কৰা হ'ব। ৫ ফেব্ৰুৱাৰীত তৃতীয় পৰ্যায়ত বঙাইগাঁও, বিশ্বনাথ, দৰং, ডিব্ৰুগড়, গোৱালপাৰা, কাছাৰ, নলবাৰী, মৰিগাঁও, ডিমা হাছাও আৰু মাজুলীত এই ১০ খন জিলাত গুণোৎসৱ অনুষ্ঠিত হ'ব। ৫ ফেব্ৰুৱাৰীত এই জিলাকেইখনৰ বিদ্যালয়ৰ স্বমূল্যায়নৰ আৰু ৬ৰ পৰা ৮ ফেব্ৰুৱাৰীত বহিঃমূল্যায়নৰ দিন ধাৰ্য্য কৰা হৈছে। ৰাজ্যৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি গুৱাহাটীৰ অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত গুণোৎসৱ ম'বাইল এপ আৰু প'ৰ্টেল মুকলি কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে গুগল প্লেষ্টোৰৰ পৰা ডাউনলোড কৰিব পৰা এই এপত উইনিফৰ্মৰ মূল্যায়নকে ধৰি বহিঃমূল্যায়নকাৰী সকলৰ সকলো পৰ্যৱেক্ষণ প্ৰতিবেদনৰ ৰূপত অন্তৰ্ভুক্ত হ'ব।

০০০০০০০

———ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে চাহ বাগিচা অঞ্চলৰ বিদ্যালয়ৰ সময়সূচী কিছু সালসলনি কৰিছে। এই সন্দৰ্ভত বিদ্যালয় শিক্ষা বিভাগৰ সচিবে জাৰি কৰা নিৰ্দেশনা অনুসৰি চাহ বাগিচা অঞ্চলৰ নিম্ন প্ৰাথমিক বিদ্যালয়সমূহৰ পাঠদান পুৱা চাৰে সাত বজাৰ পৰিৱৰ্তে চাৰে ৮ বজাত আৰম্ভ হ'ব। একেদৰে ছুটীৰ সময় ১২ বাজি ১৫ মিনিটৰ পৰিৱৰ্তে ১ বাজি ১৫ মিনিটলৈ বৃদ্ধি কৰা হৈছে। একেদৰে উচ্চ প্ৰাথমিক বিদ্যালয়ৰ পাঠদান চাৰে ৭ বজাৰ পৰিৱৰ্তে চাৰে আঠ বজাত আৰম্ভ হ'ব আৰু ছুটীৰ সময় পূৰ্বৰ এক বজাৰ সলনি দুই বজাত হ'ব। ইতিমধ্যে ৰাজ্য চৰকাৰৰ প্ৰাথমিক শিক্ষা সঞ্চালকে সকলো জিলা শিক্ষা বিষয়ালৈ জাননী জাৰি কৰি শীঘ্ৰে এই সময়সূচী কাৰ্যকৰী কৰিবলৈ নিৰ্দেশ দিছে।

০০০০০০

যোৰহাটত জিলা মহিলা সৱলীকৰণ কেন্দ্ৰৰ দ্বাৰা আয়োজিত আৰু কেন্দ্ৰীয় মহাবিদ্যালয়, যোৰহাটৰ সহযোগত কালি চাইবাৰ ছেফটি শীৰ্ষক এখন সজাগতা সভা অনুষ্ঠিত হয়। মহিলা সবলীকৰণ  কেন্দ্ৰৰ বিষয়া সংযুক্তা ভূঞাই আঁত ধৰা আৰু মহাবিদ্যালয়খনৰ অধ্যক্ষৰ সভাপতিত্বত অনুষ্ঠিত এই কাৰ্যসূচী শিক্ষানুষ্ঠানখনৰ অধ্যাপক, ছাত্ৰ-ছাত্ৰী, জিলা সমাজ কল্যাণ বিভাগৰ বিষয়া-কৰ্মচাৰী আদিয়ে অংশগ্ৰহণ কৰে। আৰক্ষী উপ-পৰিদৰ্শক লুনা সোণোৱাল আৰু সখী একক অৱস্থান কেন্দ্ৰৰ তথ্য প্ৰযুক্তি বিষয়া শিৰ দত্তই বৰ্তমান তথ্য-প্ৰযুক্তিৰ ব্যাপক উন্নতিৰ লগতে চাইবাৰ অপৰাধ বৃদ্ধিত কেনেদৰে নিজক সুৰক্ষিত কৰিব পাৰি এই সন্দৰ্ভত বক্তব্য আগবঢ়ায়।

০০০০০০০

গোলাঘাট জিলাৰ সৰুপথাৰত কালিৰে পৰা নেপালী সাহিত্য সভাৰ ১৬ সংখ্যক ত্ৰিবাৰ্ষিক অধিবেশন অনুষ্ঠিত হৈছে। অধিবেশনৰ লগত সংগতি ৰাখি আজি পতাকা উত্তোলন, স্বচ্ছতা অভিযান, স্মৃতি তৰ্পন, গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। বোকাখাত আৰু কাৰ্বি আংলং জিলা সমিতিৰ সহযোগত আয়োজিত অধিবেশনৰ লগতে সোণালী জয়ন্তী বৰ্ষৰ সামৰণি অনুষ্ঠানৰো অনুষ্ঠিত হৈছে। কালি প্ৰথম দিনা প্ৰতিনিধি পঞ্জীয়নৰ লগতে প্ৰতিনিধি উদ্বোধন কৰা হয়।

০০০০০

শিৰসাগৰৰ মহাৰথী সাংস্কৃতিক চৰ্চা কেন্দ্ৰৰ উদ্যোগত আৰু গৌৰীসাগৰ, দিখৌমুখবাসীৰ সহযোগত অহা ২০ৰ পৰা ২৫ ডিচেম্বৰলৈ সদৌ অসম শিশু ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। তদুপলক্ষে গৌৰীসাগৰৰ নকটানিৰ বাকৰিৰ বৃন্দাবন সমন্বয় ক্ষেত্ৰত কালি লাইখুঁটা স্থাপন কৰা হয়। ভাওনা প্ৰতিযোগিতাৰ লগত সংগতি ৰাখি গ্ৰন্থমেলা আৰু এখন বাণিজ্য মেলাৰো আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাত ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ প্ৰায় ১২ খন শিশু ভাওনা   প্ৰদৰ্শন কৰা হ'ব।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত অনুষ্ঠিত বৰ্ডাৰ-গাভাস্কাৰ ট্ৰফীৰ দ্বিতীয়খন টেষ্টত আজি অষ্ট্ৰেলিয়াই কালি ১ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ৮৬ ৰাণৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰিব। এডিলেইড অ'ভেলত অনুষ্ঠিত খেলখন আজি পুৱা চাৰে ৯ বজাত আৰম্ভ হ'ব। কালি খেল শেষ  হোৱাৰ সময়ত নাথান মেকছুইনী আৰু মাৰ্নাছ লাবুশ্বেন ক্ৰীজত আছিল। আয়োজক দল অষ্ট্ৰেলীয়া  এতিয়া ভাৰতৰ প্ৰথম ইনিংছতকৈ ৯৪ ৰানত পিছ পৰি আছে। ইয়াৰ পূৰ্বে ভাৰতীয় অধিনায়ক ৰোহিত শৰ্মাই টছত জিকি বেটিং কৰাৰ সিদ্ধান্ত লৈছিল। অৱশ্যে ১৮০ ৰাণতে আটাইকেইটা উইকেট হেৰুৱাই ভাৰতে প্ৰথম ইনিংছ সামৰে। ভাৰতৰ হৈ নিতীশ কুমাৰ ৰেড্ডীয়ে সৰ্বাধিক ৪২ ৰান সংগ্ৰহ কৰে। উল্লেখযোগ্য যে ভাৰতে পাৰ্থত অষ্ট্ৰেলিয়াক ২৯৫ ৰাণত পৰাস্ত কৰি শৃংখলাত ১-০ ৰ অগ্ৰগতি লাভ কৰিছে।

০০০০০

**সমাপ্ত**